# দ্বিতীয় অধ্যায়

## ২.০ বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত স্বদেশপ্ৰেম

### ২.১ বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা ঃ

অসমীয়া ৰোমাণ্টিক সাহিত্যত স্বদেশপ্ৰেম এটা ঘাই দিশ। কুৰি শতিকাৰ দ্বিতীয় দশকৰ মাজভাগৰ পৰা অসমীয়া কবিতাত ব্যাপ্তি ঘটা স্বদেশপ্ৰেমৰ জোঁৱাৰ অনা কবিসকলৰ অন্যতম বিনন্দ চন্দ্ৰ বৰুৱা। বৰুৱাৰ কবিতাত দেখা যায় শৌৰ্য-বীৰ্যসম্পন্ন অতীত, দেশৰ গৌৰৱ গাথা, বীৰত্বব্যঞ্জক কাহিনী, মহৎ ঐতিহ্যৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু মাতৃভাষা প্ৰীতি। তাৰ উপৰি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত দেশৰ নৈসৰ্গিক ৰূপ, আধ্যাত্মিক চেতনা, পৰাধীনতাৰ গ্লানি, সমন্বয়ৰ বাৰ্তা, কাৰুণ্য আৰু মুক্তিৰ আহ্বান আৰু সুস্থ আশাবাদ ধ্বনিত হৈছে। বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত দেখা পোৱা সকলোবোৰ দিশৰ আধাৰবস্তু মূলতঃ স্বদেশপ্ৰেম। বৰুৱাৰ কবিতা জাতীয়তাবাদী, তেজোদ্দীপক, উদ্দীপনাময়ী, ধ্বনি ব্যঞ্জনাৰে সমৃদ্ধ। দেশবাসীৰ প্ৰাণত স্বদেশানুৰাগ জাগ্ৰত কৰিব বিচৰা কবি বৰুৱাৰ কবিতাত ভাৰতীয় দৰ্শনৰ প্ৰতি গভীৰ আস্থাও প্ৰকাশ ঘটিছে। গীতা শাস্ত্ৰৰ কৰ্মবাণীৰে জাতিক কৰ্মোদ্যমী কৰাৰ আহ্বান নিহিত হৈ আছে বৰুৱাৰ কবিতাত। স্বদেশপ্ৰেমক কেন্দ্ৰ কৰি বিনন্দ চন্দ্ৰ বৰুৱাই কবিতাৰ বিষয়বস্তুৰূপে বাচি লোৱা বিবিধ বিষয়বস্তুৰে সেই সময়ৰ ৰোমাণ্টিক কবিতাৰ পৰিসৰ বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল।

কবিতাৰে অসম গৌৰৱক জীয়াই ৰাখিবলৈ যত্ন কৰা কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্যতম কাব্যগ্ৰন্থ ‘শঙ্খধ্বনি’ (১৯২৫), ‘প্ৰতিধ্বনি’ (১৯৩৮), ‘জয়ধ্বনি’ (১৯৭৪)। তাৰ উপৰি ‘শিশুধ্বনি’ (১৯৭৬), ‘বিয়লি বেলাৰ কবিতা’, ‘সংকলনত অন্তৰ্ভুক্ত নোহোৱা কবিতা’ শিৰোনামেৰে ৰচনাৱলীত সন্নিৱিষ্ট কবিতাসমূহে বৰুৱাৰ কবি মানসক প্ৰতিনিধিত্ব কৰি জিলিকি আছে। কবিতা পুথিকেইখনত সন্নিৱিষ্ট

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ মুঠ সংখ্যা ১৫৭ টি। বৰুৱাৰ কবিতাৰ বিষয়বস্তু বৈচিত্ৰ্যপূৰ্ণ আৰু প্ৰকাশভংগী অনন্য। 'বিনন্দ চন্দ্ৰ বৰুৱাই দেশাত্মবোধক কেন্দ্ৰ কৰি এনে কিছুমান বিষয়ক কবিতাৰ মাজলৈ আনিছে যিবিলাকে অসমীয়া ৰোমাণ্টিক কবিতাৰ সংজ্ঞাক কিছু পৰিমাণে হ'লেও বহুল কৰিছে।'[১] ধ্বনি ব্যঞ্জনা বৰুৱাৰ কবিতাৰ স্বকীয় বৈশিষ্ট্য। ধ্বনি ব্যঞ্জনাৰ অনুভূতি প্ৰকাশে বৰুৱাৰ কবিতাক জাতীয় চেতনা জাগৰণৰ উৎকৃষ্ট মাধ্যম ৰূপে পৰিগণিত কৰিছে। 'শঙ্খধ্বনি', 'প্ৰতিধ্বনি', 'জয়ধ্বনি'; বিশেষকৈ 'প্ৰতিধ্বনি'ত সন্নিৱিষ্ট ৰঙপুৰ, জন্মভূমি, ৰঙামুৰা বীৰ, গড়গাঁও, বাজ বীণ, ধন্য শৰাইঘাট আদি কবিতাৰ ধ্বনি ব্যঞ্জনাই সৃষ্টি কৰা স্বদেশপ্ৰেমৰ অনুভূতি গভীৰ আৰু ব্যাপক। জাতিক জগোৱা এক শক্তিৰূপে প্ৰতিফলিত স্বদেশপ্ৰেমক ব্যৱহৃত ধ্বনি ব্যঞ্জনাই মধুৰ আৰু স্থায়ী কৰি ৰাখিছে।

স্বদেশপ্ৰেমক আধাৰ কৰি বিভিন্ন বিষয়বস্তুৰে ৰচনা কৰা বৰুৱাৰ প্ৰথম কবিতাপুথি 'শঙ্খধ্বনি'। শঙ্খধ্বনি, ওম্, মিলন, কৰ্মবীৰ, শ্মশান, গোবিন্দকোঁৱৰ, আবাহন, বীণৰ সুৰ, মিলন গৰিমা, মহাপুৰুষ, আগ বাঢ়া, জন্মভূমি আদি কবিতাত জনসাধাৰণক দেশাত্মবোধেৰে অনুপ্ৰাণিত কৰাৰ ধ্বনি ধ্বনিত হৈছে। 'জয়ধ্বনি'ৰ জয়ধ্বনি, হে জননী ভাৰতবৰ্ষ, কোৱা বীৰ, আগবাঢ়ি যায় নৱ জোৱান, ত্ৰিৰঙ্গ পতাকা, ভাল পাওঁ, ধুমুহা, শ্ৰীমন্ত শংকৰ, আনন্দৰাম, বাহাদুৰ গাওঁবুঢ়া, দেশভক্ত ইত্যাদি কবিতাৰ মাজেৰে কবিৰ জন্মভূমিৰ প্ৰতি শ্ৰদ্ধা, বীৰৰ প্ৰতি সন্মান, দেশ নিৰ্মাতাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা-ভক্তি প্ৰকাশ কেৱল স্বদেশপ্ৰেমৰ বাবেই সম্ভৱ।

অন্যান্য কবিতাপুথি কেইখনৰ কবিতাবিলাকেও কবিৰ স্বদেশপ্ৰেমৰ স্বাক্ষৰ সুন্দৰভাৱে বহন কৰিছে। নিজ দেশৰ মাটি-পানী-বায়ু, বৰষুণ, ধুমুহা, চৰাই-চিৰিকতি, বীৰ-ত্যাগী আদিৰ গুণানুকীৰ্তনেৰে মুখৰ কবিতাসমূহ স্বদেশপ্ৰেমৰ উজ্জ্বল দৃষ্টান্ত। অতুলনীয় দেশপ্ৰেমেই যে বিশ্বপ্ৰেমৰ আধাৰ সেই কথা বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত স্পষ্ট ৰূপত ফুটি উঠিছে।

## ২.২ বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

১। আনন্দ বৰমুদৈ, 'বিনন্দ চন্দ্ৰ বৰুৱা কবিতা', *অসমীয়া কবিতাৰ সমালোচনা*, পৃ. ১০৫

স্বদেশপ্ৰেম বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ সাৰবস্তু। বিভিন্ন বিষয়বস্তুক কেন্দ্ৰ কৰি ৰচনা কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত স্বদেশপ্ৰেম বিভিন্ন ভাবেৰে অতি গভীৰভাৱে প্ৰকাশ ঘটিছে। বিনন্দ চন্দ্ৰ বৰুৱাক প্ৰবল স্বদেশপ্ৰেমিকৰূপে প্ৰতিষ্ঠা কৰাত বৰুৱাৰ কবিতাৰ ভূমিকাই আটাইতকৈ বেছি।[২] অসমীয়া কাব্য জগতক চহকী কৰা বৰুৱাৰ কবিতাৰাজিত প্ৰকাশিত স্বদেশপ্ৰেমৰ বিচাৰ-বিশ্লেষণ তলত উল্লেখ কৰা বৈশিষ্ট্যৰাজিৰ আলমত কৰা হৈছে।

### ২.২.১ জন্মভূমিৰ প্ৰতি গভীৰ অনুৰাগ ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ অন্যতম এক বৈশিষ্ট্য হৈছে জন্মভূমিৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ। জননী জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ — এই আদৰ্শৰে অনুপ্ৰাণিত বৰুৱাৰ কবিতাত জন্মভূমিৰ মাটি-পানী বায়ু-প্ৰকৃতি, দেশৰ সম্পদ, ঐতিহ্য আদি সকলোৰে প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ ঘটিছে। জন্মভূমিৰ সমান পবিত্ৰ ভূমি আৰু ক'তো নাই। সেই জন্মভূমিয়েই কবিৰ জননী। ইয়াতেই যুগ যুগ ধৰি কাম কৰি অহা পুৰুষৰ উপৰি পুৰুষ এই দেশৰ মাটিৰেই যেন দান। কবিৰ অন্তৰাত্মাত দোল দিয়া সেই ভাব এনেধৰণৰ —

> জনমৰ ভূমি মাতৃবৰা জননী তাতোকে পৱিত্ৰ আৰুতো নাই,
> এনে স্বৰ্গ এৰি বঞ্চিত যিজন কি সান্ত্বনা কোনে দিবনো হায়
> পুৰুষৰ উপৰি পুৰুষৰ দেহখনি দেশৰ মাটিৰ দান,
> সবাৰে মনত কত যুগ ধৰি দেশৰ অবাধ তান;
> যিখনি দেশৰ অতিকে পৱিত্ৰ মাটি-পানী আনি শৰীৰ এই,

২। "আধুনিক সহিত্যত এই প্ৰথম আলোড়ন মূলতঃ কাব্যিক। কিন্তু তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া বিলাক অধিক ক্ষেত্ৰব্যাপক।" মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (২০০০), সম্পা. পৃ. ২৪৭

নিজৰ স্থিতিৰ সকলোৰে গুৰি জন্মভূমি মোৰ জননী আই।[৩]

কবিয়ে নিজ জন্মভূমিক 'ৰত্নগৰ্ভা', আদৰৰ ধন', 'জ্ঞান গৰিমা' আৰু 'কৰ্মৰ খনি' বুলি সম্বোধন কৰিছে এনেদৰে —

ৰত্নগৰ্ভা ভাৰত মাতৃ
তুমিয়ে জননী তুমিয়ে ধাত্ৰী,
জগৎজয়ী বীৰ সন্তানৰ
জ্ঞান গৰিমা গৌৰৱ দাত্ৰী[৪]

আকৌ,

মোৰ এই জন্মভূমি আদৰৰ ধন
বিধাতাৰ গৌৰৱৰ মান,
কোটি কোটি মানৱৰ পুণ্য জন্মভূমি
জ্ঞান ধৰ্ম কৰমৰ খনি।[৫]

যিখন দেশৰ মাটিত উপজি, যি দেশৰ অমৃত পান কৰি মহান ভাৱ-অনুভূতিবোৰে বিকাশ লাভ কৰিছিল, যি দেশৰ মৌসনা মাতত সকলো পাহৰি স্বদেশ, স্বজাতি আৰু স্বধৰ্মৰ মায়াত বন্দি — সেই দেশ কবিৰ অতি প্ৰিয়। 'চেনেহী মাতৃৰ গুণ-গৰিমা আৰু সৌন্দৰ্যৰ কথা কবিয়ে যেন কৈয়ো অন্ত কৰিব

৩। জন্মভূমি, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৬
৪। ভাৰত গৰিমা, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৬
৫। ভাৰত, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫১

নোৱাৰে।[৬] জীৱনে-মৰণে আপোন জন্মভূমিৰ অভয় পদ চুমি নিজ দেশতেই কবিৰ জীয়াই থকাৰ বাসনা অতি তীব্ৰৰূপত প্ৰকাশ ঘটিছে 'জন্মভূমি' কবিতাত —

যিখন দেশতে উপজি পোনেই মেলিলো মোৰ ই নতুন চকু,
প্ৰথমেই য'ত সকলো কালৰ সকলো ভাৱৰ মেলিলে থোৰ,
সেই জন্মভূমি স্বৰ্গতো অধিক জীৱন মৰণে আপোন মোৰ।[৭]

আকৌ —

স্বৰ্গতো অধিক কৰি স্ৰজিলা যেতিয়া
প্ৰভু মোৰ প্ৰিয় জন্মভূমি,
জনমে জনমে যেন ইয়াতেই থাকোঁ
তোমাৰ অভয় পদ চুমি।[৮]

কবিৰ কলমত সাৰ পাই উঠিছে নিজ 'জন্মভূমি', 'টীয়ক', আদৰৰ 'গাঁওখনি', 'পথাৰৰ বঙিয়া', 'গৰখীয়াৰ গীত', বহাগৰ 'বিহুৱতী', 'ফুটুকা ফুল', 'দুবৰি বন' আৰু 'আঁহত'জুপিও। তাৰ উপৰি অন্যান্য বহু বিষয়ৰ সন্মিলিত ৰূপে বৰুৱাৰ জন্মভূমিৰ প্ৰতি গভীৰ ভালপোৱা প্ৰকাশ কৰাৰ উদাহৰণ অলেখ। 'গাঁওখনি'ৰ নিটোল ছবিৰ বৰ্ণনা অতি জীৱন্ত। ঠিক তেনেদৰে গাঁৱৰ পটভূমিত ৰচিত প্ৰতিটো কবিতাই আঁকি দিয়া কবিৰ জন্মভূমিৰ চিত্ৰখনি অতি মনোমোহা।

উদাহৰণ—

৬। কৰবী ডেকা হাজৰিকা, *অসমীয়া কবিতা,* পৃ. ১৪১

৭। জন্মভূমি, শঙ্খধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৬

৮। জন্মভূমি, প্ৰতিধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭১

ঘৰৰ ছালত লগা অলেখ কোমোৰা বগা
আঁতৰতে গাঁও জিলিকাই,
বাটৰুৱা আহে যায় গাঁৱলীয়া শোভা চাই
সৰলতা যে ভাল পায়। [৯]

কবিৰ দৃষ্টিত গাঁওৱেই হৈছে দেশৰ গুৰি। গাঁৱৰপৰাই ক্ৰমে নগৰৰ বিকাশ। সেয়ে গাঁৱৰ উন্নতি আৰু সুৰক্ষা কবিৰ কাম্য—

চোতালৰ কাষৰত বহি বহি হৰিষত
তাঁত বয় হেঁপাহ পলায়।
গাঁৱেই দেশৰ গুৰি সমাজ ৰাখিছে ধৰি
নগৰত গাঁৱৰ বিকাশ,
গাঁও যদি ভাগি যায় দিবা আকালে খায়
মানুহৰ সঠিক বিনাশ। [১০]

## ২.২.২ দেশমাতৃৰ প্ৰতি গভীৰ শ্ৰদ্ধা ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰাজি দেশমাতৃ ভাৰতবৰ্ষৰ গুণ-গানেৰে মুখৰ। 'ভাৰত গৰিমা', 'ভাৰতবৰ্ষ', 'হে জননী ভাৰতবৰ্ষ' তাৰ উৎকৃষ্ট উদাহৰণ। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ আৰু জগতত খ্যাতি অৰ্জন কৰা পুণ্য তীৰ্থ ভাৰতবৰ্ষ কবিৰ দৃষ্টিত মৰতৰ স্বৰ্গভূমি। বিনন্দ চন্দ্ৰ বৰুৱাৰ ভাৰতবৰ্ষৰ

---

৯। গাঁওখনি, শিশুধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ-১৪৭
১০। উল্লিখিত

মহত্ব প্ৰকাশিত হৈছে এনেদৰে —

নিজেই সৰজি নিজেই আচৰিত
বিধাতাই দেখি মহান সৃষ্টি,
সন্তোষে দেৱ অমৃত নেত্ৰে
জননী বয়ান কৰিলে দৃষ্টি।[১১]

সেই মহিমাময় ভাৰতবৰ্ষতেই সকলো এক হৈ সম্প্ৰীতিৰ ভাৱ বিয়পাই ধন্য হৈছে। নানা জাতি-উপজাতিৰ মিলনভূমি এই ভাৰতবৰ্ষ কবিৰ অতি প্ৰিয়। সেয়ে কবিয়ে কৈছে —

একে সুঁতি হই মিলিছে ইয়াত ভাৰতেই ভাগ্যবান
আহাঁহে সেৱক জন্মভূমিৰ আকণ্ঠ কৰাহে পান।[১২]

'ভাৰত গৰিমা' কবিতাত কবিয়ে আৰ্য-অনাৰ্য নানা জাতি-ধৰ্মৰ লোকৰ বসতিস্থান, সনাতন ৰীতিৰ গৰাকী ভাৰতে বিশ্ব সাম্ৰাজ্য স্থাপন কৰাৰ কালত উচ্চ আসনৰ গৰাকী হোৱাৰ যি আশা ব্যক্ত কৰিছে সেই আশা কবিৰ স্বদেশপ্ৰেমৰ প্ৰৱল প্ৰকাশ।

নমৰে ভাৰত নোৱাৰে মৰিব
যতদিন এই পৃথিৱী ৰ'ব,
বিশ্ব সাম্ৰাজ্য স্থাপন কালত

১১। ভাৰতবৰ্ষ, প্ৰতিধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯২
১২। মিলন, শঙ্খধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২৬

উচ্চ আসন ভাৰতে পাব।[১৩]

এনেদৰেই কবিৰ জন্মভূমিৰ প্ৰতি আকণ্ঠ ভালপোৱা প্ৰকাশ ঘটিছে আৰু দেশমাতৃৰ প্ৰেমৰ প্ৰতি গভীৰ আহ্বান ধ্বনিত হৈছে। বৰুৱাৰ কেইবাটিও কবিতাত আঞ্চলিকতাৰ মাজেৰে সৰ্বভাৰতীয় চেতনাৰ মূৰ্ত প্ৰকাশ দেখিবলৈ পোৱা যায়।

### ২.২.৩ মাতৃভাষাৰ প্ৰতি গভীৰ শ্ৰদ্ধা ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত স্বদেশপ্ৰেমৰ অন্যতম এক প্ৰকাশ মাতৃভাষাৰ বন্দনা আৰু প্ৰশস্তি। কবিৰ মানত জন্মভূমি যিদৰে স্বৰ্গতকৈও শ্ৰেষ্ঠ, আপোনৰো আপোন ঠিক তেনেদৰে জননীৰ মুখৰ ভাষা সিমানেই শ্ৰেষ্ঠ, সিমানেই মৰমৰ। কবিৰ মনত মাতৃভাষা 'চিৰ জীৱনৰ চিৰ লগৰীয়া'। দেৱতাৰ দানস্বৰূপ এই ভাষাৰ তুলনা নাই। মাতৃভাষাতেই কবিয়ে সৰগ বিচাৰি পায় আৰু সেই মাতৃভাষাতেই কবিয়ে সুদিনৰ বীণখনিও বজাব বিচাৰে। মাতৃভাষাৰ উন্নতিৰ হকে কৰা চিন্তা কবিৰ মানত এক পবিত্ৰ কৰ্তব্য। কবিৰ মতে মাতৃভাষা শিক্ষাৰ মাধ্যম হওক। মাতৃভাষাৰ দ্বাৰা দেশৰ গৌৰৱ আৰু ঐতিহ্য ৰক্ষিত হওক। মাতৃভাষাত জ্ঞান-বিজ্ঞানৰ ভাৰৰাশি আহি ভিৰ কৰক। মাতৃভাষাই আনি দিয়ক জাগ্ৰত নৱ-চেতনা। মাতৃভাষাৰ মাতে জগত জিনিব পৰাতো গৌৰৱৰ বিষয় বুলিছে এনেদৰে —

নিজৰ মাতেৰে মতিব পাৰিলে
কত যে গৌৰৱ তাত।
জননীৰ ভাষা দেৱতাৰ দান

১৩। ভাৰত গৰিমা, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৭

সৰগ অমিয়া ভৰা।[১৪]

কিয়নো,

'আই' বুলি যিটি ভাষাৰে মাতিলোঁ
লও দয়াময় নাম,
জীৱনৰ মোৰ শেষৰ প্ৰাৰ্থনা
যিটি ভাষাৰেই গাম।
বিদেশত যিটি মাত শুনি মোৰ
ৰঙত চকুলো জৰে,
সেয়ে মাথো মোৰ অতিকে নিজৰ
অন্তৰ পোহৰ কৰে।[১৫]

মাতৃভাষাৰ সেই পোহৰতেই যেন জ্ঞান-বিজ্ঞানৰ ভাৰৰাশি আহি ভাৱৰ হেন্দোলনি তুলি জাতিক পোহৰ কৰে। কবিসকলৰ বাবে আপোন ভাষাৰ মহত্ব আৰু গুৰুত্ব সকলো বিতৰ্কৰ উৰ্দ্ধত। সেইবাবে এই ভাষা যেতিয়া বিপদাপন্ন বুলি অনুভৱ হয়, কবিৰ হৃদয় হৈ উঠে সচকিত, উদ্বিগ্ন, বিষন্ন আৰু ক্ৰোধিত। জননীৰ শুৱলা ভাষাৰ বাবে কবিৰ হৃদয়ে অনুভৱ কৰে গভীৰ স্নেহ; ভাষা-জননী আৰু দেশ-জননী হৈ পৰে একাকাৰ আৰু অভিন্ন। এই জননী মূৰ্তিয়ে কবি হৃদয়ক শিহৰিত কৰি তোলে। 'এবাৰ ভাবিলে জননী তোমাক উলাহত প্ৰাণ নাচে'— ইয়াত কবিয়ে কৰা 'তোমাক' সম্বোধনেৰে জননী কবিৰ আপোনৰো আপোন। এই ৰোমাণ্টিক প্ৰেমে কবিসত্তাক বাহিৰে-ভিতৰে আগুৰি আছে। কবিসত্তাক এই প্ৰেমৰ পৰা কোনো প্ৰকাৰেই বিচ্ছিন্ন কৰিব নোৱাৰি। ধ্বনিকবিৰ কবিতাৰো এয়ে উৎসভূমি, এয়ে আধাৰ, এয়ে প্ৰাণ শক্তি। সেইবাবে দেশৰ দুখত কবিপ্ৰাণ ক্ষত-বিক্ষত আৰু দেশৰ গৌৰৱত কবিৰ প্ৰাণ উল্লাসিত।

১৪। বাজ বীণ, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৩
১৫। উল্লিখিত, পৃ. ৮২

কবিৰ কাম্য —

জ্ঞান-বিজ্ঞানৰ কত আলোচনা
একেটি ভাবতে আহে,
মাতৃভাষাৰ মৰমেদি আহি
ভাব সাগৰত ভাহে।
জনম ভূমিৰ মাতৃভাষাই
উছ্‌ৰত ফুলি ফুলি,
পূৰ্ব পুৰুষৰ পাছে পাছে আজি
মাতিছে দুহাত তুলি।[১৬]

মাতৃভাষাৰ প্ৰতি কবিৰ গভীৰ শ্ৰদ্ধা আৰু স্নেহ যিদৰে প্ৰকাশ পাইছে ঠিক সমান্তৰালভাৱে মাতৃভাষাৰ অস্তিত্বৰ প্ৰতি অহা ভাবুকিয়ে কবিৰ মনত ভয় আৰু শংকা ভাৱৰো সৃষ্টি কৰিছে। কবিয়ে কৈছে —

অসম দেশত অসমীয়া কথা নুবুজা কত যে লোকৰ বাস,
কেতিয়া কৰিব কোনেনো বুজিছে গোটেই অসম অস্তিত্বৰ গ্ৰাস।[১৭]

কবিসকল দ্ৰষ্টা। সেই দৃষ্টিয়ে কবিয়ে সম্ভাব্য বিপদৰ আগজাননী পায়। জাতিক সাৱধান কৰি সোঁৱৰাই দিছে এনেদৰে —

---

১৬। উল্লিখিত

১৭। শ্মশান, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩২

সেইহে কৈছো মাত সাৰি গ'লে সকলোটি যাব নাথাকে চিন,
সাজু হোৱা নতু আহিছে সৌৱা মহাপ্রলয় ভীষণ দিন।[১৮]

## ২.২.৪ ভাৰতীয় দৰ্শনৰ প্ৰতি গভীৰ আনুগত্য ঃ

'. . . ৰোমাণ্টিক কবিসকলে ভাব, ভাষা আৰু ৰচনা-শৈলী পাশ্চাত্য ৰোমাণ্টিক কবিতাক অনুকৰণ কৰিলেও সৰহভাগ কবিয়ে প্ৰাচীন কবিসকলৰ দৰে ভাৰতীয় দৰ্শনৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত।'[১৯] এইক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাও ব্যতিক্ৰম নহয়।

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত স্বদেশপ্ৰেম সৃষ্টিৰ অন্যতম কাৰক ৰূপে মহাভাৰতীয় দৰ্শনৰ প্ৰতি গভীৰ আনুগত্য প্ৰকাশ লক্ষ্য কৰা যায়। মহাভাৰতৰ আদৰ্শ বীৰ চৰিত্ৰ অৰ্জুনৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশৰ ডেকাসকলক শক্তিৰ সঞ্চাৰ কৰি পৰম বিক্ৰমেৰে স্বদেশৰ অৰ্থে জনগণৰ মংগল কামনাৰে কৰ্ম কৰাৰ আহ্বান ধ্বনিত হৈছে —

উঠা পাৰ্থ, উঠা কৰা শক্তিৰ সঞ্চাৰ
কৰ্মময় জগতত ৰুদ্ৰৰূপ ধৰি
সত্যৰূপে অসত্যক কৰা ছাৰ খাৰ।[২০]

ভাৰতীয় জনজীৱনত অক্ষয়-অব্যয় (স্থায়ী) হৈ থকা 'অৰ্জুন', 'শ্ৰীকৃষ্ণ' আৰু 'গীতা' শাস্ত্ৰৰ আদৰ্শক প্ৰেৰণাৰ থলীৰূপে কবিতাৰ মাজেৰে ব্যক্ত কৰি স্বদেশপ্ৰেমৰ অনল শিখা উজ্জ্বলাই তুলিছে। ভাৰতীয় মহান ঐতিহ্যৰ ভেটিত কবি মানসে বিশ্বপ্ৰেমৰো উদাহৰণ দাঙি ধৰিছে —

---

১৮। উল্লিখিত
১৯। নন্দ তালুকদাৰ, *কবি আৰু কবিতা*, পৃ. ১০৩
২০। শক্তিৰ সঞ্চাৰ, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ২৭

পৃথিৱী কৰি মঙ্গল সূচনা,

ফলাফল একো নকৰি গণনা,

অন্তৰত ৰাখি বিভূৰ বাসনা,

আগ বাঢ়া।

আগ বাঢ়া।[২১]

## ২.২.৫ অতীত অসমৰ জয়গান ঃ

অতীত অসমৰ শৌৰ্য-বীৰ্য আৰু বীৰত্বব্যঞ্জক কাহিনীৰ জৰিয়তে কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাই দেশবাসীৰ প্ৰাণত স্বদেশপ্ৰেমৰ বহ্নিশিখা প্ৰজ্বলিত কৰি আহিছে। অতীত ৰোমন্থন বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ অন্যতম এক লক্ষণ। ‘তেওঁৰ কবিতাৰ অনুপ্ৰেৰণাৰ থল অতীত কীৰ্তি আৰু শৌৰ্য-বীৰ্যপূৰ্ণ ইতিহাসৰ ঘটনাক সজীৱ স্পন্দনপূৰ্ণ ৰূপ দিয়াত তেওঁৰ অসামান্য দক্ষতা প্ৰকাশ পাইছে।’ [২২] আহোম শাসনৰ ঐতিহ্যপূৰ্ণ সোঁৱৰণ বৰুৱাৰ কবিতাৰ অন্যতম আকৰ্ষণ। তেজোদীপ্ত ভাষাৰে সৃষ্টি কৰা ধ্বনি ব্যঞ্জনাৰে কবিয়ে দেশৰ জাতীয় গৌৰৱ গাথা আৰু শৌৰ্য-বীৰ্যসম্পন্ন অতীত অসমৰ যশ-কীৰ্তি ঘোষণা কৰিছে। অসমীয়াৰ প্ৰাণত মাতৃভূমিৰ প্ৰতি জাতীয় চেতনা জাগ্ৰত কৰি জাতিক উদ্ধাৰৰ নিমিত্তে অনুপ্ৰেৰণা জগাই তুলিছে। জন্মভূমিৰ অতীত ইতিহাস,[২৩] বীৰৰ ত্যাগ, বিক্ৰম আৰু স্বদেশৰ শৌৰ্য-বীৰ্য্যক জাতীয় চেতনা জাগ্ৰতকৰণৰ উৎস ৰূপে দাঙি ধৰিছে। তেজ্যোদ্দীপ্ত ভাষাৰে সৃষ্টি কৰা ধ্বনিৰ ব্যঞ্জনাৰে কবিয়ে দেশৰ লুপ্ত হ’বলৈ ধৰা জাতীয় চেতনা চৈতন্যহীন জাতিৰ প্ৰাণত জগাই তুলিবলৈ যত্ন কৰিছে। বুৰঞ্জীৰ

---

২১। আগ বাঢ়া, ‘প্ৰতিধ্বনি’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৬

২২। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ-৩২৪

২৩। “তেওঁৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ মূল কাৰণ অতীত ইতিহাসৰ সম্বলেৰে লোকচক্ষুৰ সন্মুখত জাতীয় প্ৰেমৰ চিত্ৰ অঙ্কণৰ দক্ষতা।”

- নন্দ তালুকদাৰ, ‘কাব্য সাহিত্যত বিনন্দ চন্দ্ৰ বৰুৱা’, *প্ৰতিধ্বনি*, সম্পা. হিমেন ভট্টাচাৰ্য্য পৃ. ৩৮
- নন্দ তালুকদাৰ, ‘কবি আৰু কবিতা’, পৃ. ১০৩

আলমত সৃষ্টি কৰা অতীত অসমৰ ছবিয়ে স্বদেশপ্ৰেমৰ উত্তাল জোঁৱাৰ সৃষ্টি কৰিছে। এইক্ষেত্ৰত কবিৰ 'গড়গাঁও', 'ধন্য শৰাইঘাট', 'ৰঙামুৰা বীৰ', 'ৰঙপুৰ', 'আগীয়াঠুটীৰ বীৰ' আদি কবিতা অন্যতম।

ৰঙপুৰ! ৰঙপুৰ!
ৰঙে ৰসে ভৰপুৰ!
ৰঙেৰে ৰাঙলী ৰঙ্ চাবা
পথিকৰ মন প্ৰাণ হৰা;
ৰঙপুৰ ৰঙৰ নিজৰা[২৪]

পুনৰ কৈছে —

ভিতৰে বাহিৰে গড়,
অসীম শকতি ধৰ,
মাজত কাৰেং থাকে তাৰ,
কাৰ সাধ্যৰ সীমা হয় পাৰ,
অনুমতি বিনা বিষয়াৰ।[২৫]

অসমৰ বুৰঞ্জীৰ হীৰা সদৃশ চৰিত্ৰ লাচিত বৰফুকন আৰু অসমীয়াৰ গৌৰৱ গাথা 'শৰাইঘাট' ৰণৰ স্মৃতিয়ে দেশবাসীক যুগে যুগে স্বদেশপ্ৰেমত মত্ত কৰি আহিছে। 'দেশতকৈ মোমাই ডাঙৰ নহয়' সেই উক্তিৰে আজিও দেশবাসীৰ প্ৰাণত স্বদেশ ৰক্ষাৰ আত্মাহুতি অনল শিখা জ্বলাই আহিছে। মোগলক প্ৰতিহত কৰা লাচিত বৰফুকনৰ দেশপ্ৰেম আৰু শৰাইঘাট আজিও স্বদেশ প্ৰেমৰ অমল উৎস। লাচিতৰ দৰে দেশপ্ৰাণৰ আত্মোৎসৰ্গৰে শৰাইঘাট ধন্য —

২৪। ৰঙপুৰ, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৬৮-৬৯
২৫। উল্লিখিত, পৃ. ৬৯

আগ কৰি লৈ আপোনাৰ শিৰ,
লাচিত ফুকন সেনাপতি বীৰ,
অসীম সাহসী সমৰত ধীৰ।
ওলাল চলাই অসমৰ সেনা,
জননীৰ হিয়া শাঁত
ধন্য শৰাইঘাট![২৬]

লাচিত বৰফুকনৰ দেশেপ্ৰেমে যিদৰে জাতিক আন্দোলিত কৰি ৰাখিছে ঠিক তেনেদৰে অসম বুৰঞ্জীৰ ত্যাগৰ মূৰ্ত প্ৰকাশ এক মহীয়ান নাৰী চৰিত্ৰ জয়মতীও তদ্ৰূপ। জয়মতীৰ দেশপ্ৰেমৰ সাক্ষী ‘জয়দ’ল’, ‘জয়াতিথিৰ উপলক্ষে’ বৰুৱাৰ ৰচিত কবিতা দুটিত তাৰেই প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়—

অমৰ সতীৰ যিটি পবিত্ৰ পোহৰ;
চিৰকাল পোহৰাই আছে একেদৰে;
পবিত্ৰ চেনেহ গাথা পুত্ৰ নৃপতিৰ।
জয়দ’ল জয়ধ্বজা জয়া কুঁৱৰীৰ;
জেৰেঙাৰ বুকু জুৰি নেথাকিব পাৰে,
থাকিব জগত জুৰি সবাৰে বুকুত।[২৭]

কবিৰ দৃষ্টিত স্বদেশপ্ৰেম পৰম সম্পদ। সেই সম্পদৰ তুলনাত অন্য সকলো অৰ্থহীন। সেই সম্পদ প্ৰাপ্তিৰ পৰম আকাঙ্খা ফুটি উঠিছে ‘ৰঙামুৰা বীৰ’ কবিতাত এনেদৰে —

২৬। ধন্য শৰাইঘাট; ‘প্ৰতিধ্বনি’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৫
২৭। জয়দৌল, ‘প্ৰতিধ্বনি’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৬

উঠ ৰঙামুৰা ফেহুজালি দিলে
শুবৰ সময় নাই,
দা যাঠী লৈ যা লৰালৰি
বেগেতে এমুঠি খায়।
ৰাতিতে যতাই থৈছো কৰচ
পিন্ধিব পাৰিলি তই
মানৰ যুঁজত পিতাৰো ঢুকাল
যুঁজলৈ কিহৰ ভয়।[২৮]

সুতীব্র কৰ্মক্ষমতাৰ এক আদৰ্শ নিৰ্মাণৰ জৰিয়তে সকলোৰে প্ৰাণত স্বদেশপ্ৰেমৰ যেন এক মহত্ব প্ৰতিষ্ঠা কৰিছে এনেদৰে —

বিলত নগৰ হয়, নগৰত নৈ বয়,
ধোদে তাৰ বান্ধে ৰাজ আলি,
কাৰেঙৰ দেও ইটা শিল যেন চটা চটা
গাঁথে তাক হাঁহকণি ফালি
—বনুৱাৰ নিছিগেই লানি।[২৯]

দেশদ্ৰোহীৰ পৰিণাম যে ভয়াৱহ মৃত্যু সেই কথাও বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাই জাতিক এনেদৰে সোঁৱৰাই দিছে—

২৮। ৰঙামুৰা বীৰ, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৩
২৯। গড়গাঁও, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮০

বেৰে চালে আছে কাণ, গড়গাঁও নোহে আন
দ্ৰোহীয়াৰ মূৰ কটা যায়; [৩০]

ঐতিহ্য বিস্মৃত জাতিৰ প্ৰাণত, স্বদেশপ্ৰেম জগাই তুলি হেৰোৱা ঐতিহ্য পুনৰ উদ্ধাৰৰ অনুপ্ৰেৰণা বৰুৱাৰ কবিতাত নিহিত আছে —

বৰাগীৰ গাত মিৰজাই চোলা ওলমি পৰিছে ছিৰলি ফটা;
কেনোবা কলীয়া যুগৰে চুৰিয়া ককালত টঙ্গালি টানক আঁটা।
ফুলাম গামোচা কাণত পেলাই ককালত খোছে জোলোঙ্গা খনি;
গেৰুকা তামোল লাখুটি হাতত ডিঙিত ওলমি পৰিছে মণি।[৩১]

এনেদৰেই বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা গভীৰ প্ৰেম প্ৰকাশ পাইছে। অতীতৰ যশ-কীৰ্তি, শৌৰ্য-বীৰ্যৰ জৰিয়তে জাতিৰ প্ৰাণত স্বদেশপ্ৰেমৰ জোঁৱাৰ আনিবলৈ সক্ষম হোৱা বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত অতীতপ্ৰীতি আৰু দেশাত্মবোধ প্ৰেৰণাৰ অমল উৎস।[৩২]

### ২.২.৬ ধ্বনি ব্যঞ্জনা আৰু উপযুক্ত শব্দৰ প্ৰয়োগ ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত ব্যৱহৃত ধ্বনি ব্যঞ্জনাই বৰুৱাৰ কবিতা কৰি তুলিছে অজৰ-অমৰ

---

৩০। উল্লিখিত

৩১। শ্মশান, 'শংখধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৩০

৩২। "তেওঁৰ কবিতাৰ অনুপ্ৰেৰণাৰ থল অতীত কীৰ্তি আৰু শৌৰ্য-বীৰ্য্যপূৰ্ণ ইতিহাসৰ ঘটনাক সজীৱ স্পন্দনময় ৰূপ দিয়াত তেওঁ অসামান্য দক্ষতা প্ৰকাশ পাইছে।"
- সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* পৃ. ৩২৪

আৰু সৌন্দৰ্যৰ সঁচাৰকাঠি। 'গড়গাঁও', 'ৰঙামুৰা বীৰ', 'ৰঙপুৰ' আদি এইক্ষেত্ৰত উল্লেখযোগ্য কবিতা। বৰুৱাৰ কবিতাত শব্দৰ ধ্বনিয়ে[৩৩] সৃষ্টি কৰা চমৎকাৰিত্ব গুণে মানুহৰ প্ৰাণত সুতীব্ৰ জাতীয় চেতনা বা স্বদেশপ্ৰেম জাগ্ৰত কৰিব পৰা চেতনাবোধৰ সৃষ্টি কৰি স্মৰণীয় হৈ ৰৈছে। এইক্ষেত্ৰত নন্দ তালুকদাৰৰ মত উল্লেখযোগ্য।

> বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ দ্বিতীয় কাৰণ তেওঁৰ কবিতাৰ ধ্বনি প্ৰবাহ। . . . বিশেষকৈ গড়গাঁও আৰু ৰংপুৰৰ অনুৰূপ কবিতা আজিও ৰচনা হোৱা নাই। ৰংপুৰ আৰু গড়গাঁও কবিতাৰ ধ্বনি চিৰকালেই কাব্যামোদীৰ মনীযাত অনুৰণিত হৈ থাকিব। [৩৪]

ধ্বনিৰ তীব্ৰতা, গভীৰতা, চিত্ৰধৰ্মীতা আৰু সু-নিৰ্বাচিত শব্দই হৈছে বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ প্ৰাণ। 'গড়গাঁও' কবিতাটিয়ে সৃষ্টি কৰা দেশপ্ৰেমৰ উদ্দীপনা অত্যন্ত প্ৰভাৱশালী। অতীত গৌৰৱৰ উদ্দীপনাই সকলোকে সহজতে আকৰ্ষণ কৰে। উদাহৰণ —

গড়গাঁও গড়গাঁও কথা শুনি তল যাওঁ  
পথ দেখি পিছলে যে পাৰ;  
দিখৌৰ সোঁতত যোৱা, ভটিয়নী বল পোৱা,  
উভতিব খোজে মাৰ নাৰ;  
— ওচৰতে দেখি গড়গাঁও।[৩৫]

---

৩৩। "ধ্বনি আৰু ছবি একেলগে নাথাকিলে কাব্য সৃষ্টি হ'ব নোৱাৰে।"
- সৰ্বানন্দ ৰায়, 'আধুনিক অসমীয়া কবিতাত ধ্বনি আৰু ছবি', *ৰামধেনু*, ত্ৰয়োদশ বছৰ, পঞ্চম সংখ্যা, প্ৰথম প্ৰকাশ সম্পা. হোমেন বৰুৱা, পৃ. ৬৩১০

৩৪। নন্দ তালুকদাৰ, *কবি আৰু কবিতা,* পৃ. ১০৪

৩৫। গড়গাঁও, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮০

'বৰুৱাৰ কবিতাত ব্যৱহৃত চমৎকাৰপূৰ্ণ শব্দ নিৰ্বাচনৰ উপৰি 'জতুৱা ঠাঁচ, জতুৱা খণ্ড-বাক্যৰ প্ৰয়োগেৰে তেওঁ ধ্বনিপ্ৰধান কবিতাৰ শাৰীবোৰৰ এটি চমক লগোৱা গুণ।'[৩৬] এই গুণে মানুহৰ অন্তৰাত্মাত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম। 'কুহুম বুলীয়া পাগ', 'গিৰিপ্ গাৰাপকৈ', 'মূৰত মথুৰা পাগ', 'ঢোলতে চাপৰ মাৰে', 'জালিকটা সুৰুঙা', 'সোণচৰা সিংখাপ চোলা', 'বেৰে ছালে আছে কাণ', 'কটাৰীৰ ডাবে তাৰ কাটে', 'ধোদে তাৰ বান্ধে ৰাজআলি', 'তেজ গাল ফুটো ফুটো কৰে' —আদি খণ্ড-বাক্য, জতুৱা ঠাঁচযুক্ত শব্দ আৰু উপমাই বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত প্ৰকাশিত স্বদেশপ্ৰেমৰ ক্ষেত্ৰত সোণত সুৱগা চৰাইছে। বৰ্ণনা ৰীতিৰ চমৎকাৰিত্বই সৃষ্টি কৰা চিত্ৰধৰ্মী গুণো বৰুৱাৰ কবিতাৰ সাৰবস্তু আৰু বৰুৱাৰ স্বদেশপ্ৰেমমূলক কবিতাত প্ৰকাশিত বিশিষ্ট সৌন্দৰ্য। উদাহৰণ—

ৰাজ সভা কিনো চাবা, সৰগ হাততে পাবা,
চাই চকু জল-মল কৰে,
পিতলৰ দাপোনত, এটি মাথো মানুহত
চাৰি পাঁচ গোট হৈ পৰে,
— দেখি বুকু ঘনকৈ লৰে।[৩৭]

অন্যহাতে বৰুৱাৰ কবিতাত পটন্তৰৰ সাৰ্থক প্ৰয়োগৰ ক্ষেত্ৰত যতীন্দ্ৰনাথ দুৱৰাৰ মত এইক্ষেত্ৰত উল্লেখযোগ্য।

...গড়গাঁওৰ কথা শুনি তল যোৱা', 'ভটিয়নী সৌঁতৰ বল পোৱা', 'গড়গঞা কটাৰীৰ ডাবেও কটা', 'বাঘে গৰুৱে একে ঘাটে পানী খোৱা' পটন্তৰ কোনে নাজানে, কিন্তু

৩৬। মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ. ২৭২
৩৭। গড়গাঁও, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮০

কবিতাত এনে শুৱলা আৰু অৰ্থপূৰ্ণকৈ কেইজনে ব্যৱহাৰ কৰিছে।[৩৮]

অসম বুৰঞ্জীৰ সোনোৱালী সৌধ আহোম ৰাজসভাৰ বৰ্ণনা বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত অতি জীৱন্ত আৰু অনন্যোপম। এনে বৰ্ণনাৰ জৰিয়তে ফুটি উঠা আহোম শাসনৰ বিচক্ষণতা, কৰ্মদক্ষতা, চোৰাংচোৰাগিৰিৰ তৎপৰতা ইত্যাদিৰ নিখুঁট চিত্ৰধৰ্মী বৰ্ণনা এনেধৰণৰ—

জালিকটা সুৰুঙাই, ভয়ে ভয়ে সুমুৱাই
বেলিয়েও পোহৰৰ ছাটি,
বাৰৰ ফুলত পৰি, বতাহত লৰি লৰি,
ওৰে দিন দিয়ে ভাগ খাটি,
— যাব পাৰে আহিলেহে ৰাতি।
শাৰী শাৰী থাকে পাৰা, পাটী-খেৰ-থঙ্গা-ঢৰা
মানে মানে বহে মানখোৰা;
কটকী-দুৱৰী থাকে, দাংধৰা জাকে জাকে,
ৰাজসভা চালে চকু ৰোৱা
— আছে কত অহাআৰু যোৱা।[৩৯]

স্বদেশপ্ৰেমৰ উদ্দীপকৰূপে ক্ৰিয়া কৰা বৰুৱাৰ কবিতাত ব্যৱহৃত চমৎকাৰপূৰ্ণ শব্দ, সুমধুৰ ধ্বনি ব্যঞ্জনা, জতুৱা ভাষাশৈলীৰ ব্যৱহাৰ আৰু চিত্ৰধৰ্মী বৰ্ণনাৰ জৰিয়তে প্ৰকাশিত স্বদেশপ্ৰেম অসমীয়া কাব্যজগতত একক আৰু অনন্য।

---

৩৮। যতীন্দ্ৰনাথ দুৱৰা, পাতনি, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* পৃ. ৮

৩৯। গড়গাঁও, 'প্ৰতিধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮১

**২.২.৭ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতি প্ৰকাশিত ভক্তিভাৱ ঃ**

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰাজিত স্বদেশপ্ৰেম প্ৰকাশত যিদৰে দেশৰ অতীত ইতিহাস, সমসাময়িক সমাজ, ভাষা-সাহিত্য-সংস্কৃতিৰ ধাৰক আৰু বাহক হৈ জিলিকি আছে ঠিক তেনেদৰে অসমৰ জাতীয় জীৱনৰ গুৰু নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, মহান অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰোঁতা শ্ৰীমন্ত শংকৰদেৱৰ বন্দনাও দেখিবলৈ পোৱা যায়। অসমীয়া জাতি গঠনত শংকৰদেৱৰ অৱদানক সুঁৱৰিছে এনেদৰে—

অসমৰ জাতি গুৰু শ্ৰীমন্ত শঙ্কৰে
বান্ধিলে উজান ভাটি এডালি ডোলেৰে,
সেই জৰী ডালি সবে কৰে অনুভৱ
কোনফালে, কেনি আছে বুজা মাথো টান। [৪০]

নৱবৈষ্ণৱ ধৰ্ম আৰু গুৰুজনাৰ প্ৰতি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত প্ৰকাশ পোৱা ভক্তি আৰু শ্ৰদ্ধাভাব স্বদেশপ্ৰেমৰ অন্যতম এক প্ৰকাশ। 'মহাপুৰুষ', 'শ্ৰীমন্ত শঙ্কৰ', 'হে শঙ্কৰ' আদি বৰুৱাৰ এইক্ষেত্ৰত উল্লেখযোগ্য কবিতা। উল্লেখযোগ্য যে স্বদেশপ্ৰেম প্ৰকাশত বৰুৱাৰ আধ্যাত্মিক চেতনা পূৰ্ণৰূপত তেওঁৰ কবিতাত সংপৃক্ত হৈ আছে। শংকৰদেৱৰ কৃতি ঘোষিত কৰিছে এনেদৰে—

নাম ধৰ্ম, ঘোষা-পদে প্ৰচাৰি শঙ্কৰে
জ্বলালে আকৌ বন্তি অসম দেশত,
অসমীয়া সাহিত্যৰ ওখ ভেঁটি বান্ধি

৪০। মহাপুৰুষ, 'শঙ্খধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৫

জাতীয় গৌৰৱ লক্ষ্মী আনিলে চপাই। [৪১]

বিনন্দ চন্দ্ৰ বৰুৱাই তেখেতৰ কবিতাত "অসমৰ পিতৃগুৰু শ্ৰীমন্ত শঙ্কৰ/জ্ঞানধৰ্ম কাব্য ফুলনিৰ মধুকৰ"[৪২] প্ৰশংসাৰে ওপচাই গুৰুজনাৰ প্ৰতি বৰুৱাৰ হৃদয়ত পুঞ্জিত হৈ থকা অগাধ ভক্তিৰ প্ৰকাশ কৰিছে। জাতি, ভাষা, ধৰ্ম, জ্ঞান প্ৰদানেৰে অসমীয়া জাতিক নৱ জীৱন প্ৰদান কৰা গুৰুজনাৰ প্ৰতি প্ৰকাশিত এই ভক্তিভাৱ অসমীয়া কাব্য জগতত এক উজ্জ্বল নিদৰ্শন। বৰুৱাৰ কবিতাত স্বদেশপ্ৰেমক এক সুকীয়া মাত্ৰা প্ৰদান কৰা অন্যতম শংকৰ প্ৰশস্তি।

**২.২.৮ আক্ষেপ আৰু প্ৰবল আশাবাদ ঃ**

য'ত প্ৰেম থাকে তাতেই আক্ষেপো থাকে। প্ৰেমৰ পৰাই সৃষ্টি হয় আক্ষেপ আৰু আশাৰ। এইক্ষেত্ৰত কৰবী ডেকা হাজৰিকাৰ মত উল্লেখযোগ্য।

> দেশপ্ৰেমৰ কবিতাৰ মাজত সাধাৰণতে এই দুটি ৰূপ লুকাই থাকে। কবিৰ স্পৰ্শকাতৰ মনত দেশলৈ থকা সীমাহীন প্ৰীতিয়ে যিদৰে স্পন্দন তোলে, দেশ আৰু জাতিৰ দুৰ্দশাই সেইদৰেই ক্ষোভৰ সৃষ্টি কৰে। কবিসকলে সদায়েই পোষণ কৰে সৰল আশা। সেই আশাৰ লক্ষ্য হ'ল এখন সৰল আৰু সুন্দৰ মাতৃভূমি গঢ়ি তোলা।[৪৩]

বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত অতীতৰ যশৰাশিৰ গুণ-গান যিদৰে আছে ঠিক তেনেদৰে হেৰাই যোৱাৰ প্ৰতি আক্ষেপ আৰু অনাগত দিনক লৈয়ো প্ৰৱল আশাবাদো বিদ্যমান। আক্ষেপে সৃষ্টি কৰা

---

৪১। উল্লিখিত

৪২। শ্ৰীমন্ত শঙ্কৰ, 'জয়ধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১১৬

৪৩। কৰবী ডেকা হাজৰিকা, *অসমীয়া কবিতা,* পৃ. ১৩৭

সচেতনতাই যেন জাতিক জগোৱাৰ অনুপ্ৰেৰণা। এসময়ৰ শৌৰ্য্য-বীৰ্য্যসম্পন্ন গড়গাঁৱক লৈ কবিৰ আক্ষেপ ধ্বনিত হৈছে —

গড়গাঁও ! আজি তাত জিলিৰ শুনিবা মাত,
ভাবি চালে পিচলিব পাৰ;
নোলটেও ভয় খাই দিখৌৰেদি যোৱা নাই
ভটীয়নী সোঁতে মাৰ নাও
— ভাবি ভাবি বিচুৰ্তিয়ে খাওঁ।[৪৪]

আশাবাদ স্বদেশপ্ৰেমৰ অন্যতম এক নিদৰ্শন। বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা বিশেষকৈ শ্মশান, ‘কিয়নো নাহিব দিন’, ‘নতুন সাজত গড়গাঁও’ আদি কবিতাত এই ভাব অধিক সক্ৰিয় আৰু স্পষ্টৰূপত প্ৰকাশ পাইছে। অন্যহাতে ‘গড়গাঁও’ কবিতাত কবিয়ে ‘শ্মশানতো ফুল ফুলাৰ আশা’[৪৫] যিদৰে ব্যক্ত

---

৪৪। গড়গাঁও, প্ৰতিধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱাৰ ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮১

* গড়গাঁও কবিতাটোৰ লগত প্ৰসংগক্ৰমে ৰবীন্দ্ৰনাথ ঠাকুৰৰ ‘বলাকা’ কাব্যগ্ৰন্থৰ অন্তৰ্গত ‘শাহজাহান’ কবিতাৰ সাদৃশ্য দেখা যায়।

চৰণ-ভৰত যাৰ কৰিছিলে ধৰা টল্‌মল,
আজি বতাহত মাথো দিল্লীৰ ধূলি হৈ
উৰি যায় সিহঁতৰ স্মৃতি,
বন্দীয়ে নাগায় গান
যমুনাৰ কল্লোলত সুৰ তুলি নুঠে আৰু
নহবতৰ তান।
কাৰেঙৰ কুঁৱৰীৰ নূপুৰৰ ধ্বনিবোৰ
এতিয়া মাথোন সোঁৱৰণি।

- ৰবীন্দ্ৰনাথ ঠাকুৰ, শাহ্‌জাহান, তুলনামূলক সাহিত্য আৰু অনুবাদ,অনু. কৰবী ডেকা হাজৰিকা, পৃ. ১২৬

৪৫। শ্মশান বিচাৰি ফুৰোঁ লাগে মাথো জুই কুৰা
থাকিব যে নোৱাৰে সি নাহি,
শ্মশানতো ফুলে ফুল পাহি।

- গড়গাঁও, প্ৰতিধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮১

কৰিছে ঠিক একেদৰে ‘নতুন সাঁজত গড়গাঁও’ কল্পনা কৰিছে এনেদৰে —

গড়গাঁও গড়গাঁও ৰয় চকু মেলি যেনি চাও,
পথ দেখি আগবাঢ়ে পাৰ,
দিখৌৰ সোঁতত যোৰা ভটিয়নি বল পোৰা
ৰৈ যাব খোজে মাৰ নাই
নৱ সাজে দেখি গড়গাঁও।[৪৬]

বৰুৱাৰ ‘জয়ধ্বনি’ কবিতা পুথিৰ সৰহ সংখ্যক কবিতাতেই আশাবাদৰ সুৰ অনুৰণিত হয়। জয়ৰ সপোন দেখা কবিয়ে ‘জাতীয় পতাকা জয়’, ‘আগবাঢ়ি যায় নৱজোৱান’, ‘জয়ধ্বনি’, ‘প্ৰকৃতি বিজয়’ আদিৰ মাজেৰে প্ৰৱল আশাবাদ প্ৰতিষ্ঠা কৰিছে। কবিৰ আশা, ৰূপৰ জেউতি চৰাই পৃথিৱী উজ্বলি উঠিব আৰু এদিন ধুনীয়া হ’বই। কবিৰ ‘ভাল পাওঁ’ কবিতাত এই ভাবৰ অভিব্যক্তি এনেধৰণৰ—

ইয়াত জনম লৈ
জীৱনৰ ব্ৰতী হৈ,
সুখ দুখ একোকে নামানি,
তোমাৰ কোলাত আই,
পুনৰ আশাতি পাই,
পাৰোঁ যেন এৰিব ধৰণী,
সেয়ে হ’ব সুখৰ মেলানি।[৪৭]

৪৬। নতুন সাজত ‘গড়গাঁও’, *‘বিয়লি বেলাৰ কবিতা’*, *পৃ.* ১৫৯

৪৭। জয়ধ্বনি, ‘ভালপাওঁ’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১১৩

## ২.২.৯ প্ৰকৃতি প্ৰীতি ঃ

কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰকৃতি প্ৰীতি বিষয়ক কবিতাবিলাকো কবিৰ কলমত স্বদেশপ্ৰেমৰ ৰেঙণি হৈ ধৰা দিছে। স্বদেশৰ ডাৱৰ-বতাহ, নদ-নদী, জান-জুৰি, চৰাই-চিৰিকতি, ফল-ফুল, গছ-লতা, বন-বিৰিষ, ধুমুহা সকলোবিলাক আহি কবিৰ কলমত ভিৰ কৰিছেহি। এই ক্ষেত্ৰত ললিত কুমাৰ বৰুৱাৰ মত উল্লেখযোগ্য-

> চাৰিওফালৰ প্ৰকৃতিৰ শোভা আৰু গ্ৰাম্য দৃশ্যপটৰ এখন আপুৰুগীয়া ছবিও তেখেতৰ কবিতাই ধৰি ৰাখিছে। আধুনিকমনাসকলেও বুজিব যে জাতীয় অস্মিতা (Identity) ৰ এক অলিখিত ইতিহাস তাৰ সৈতে অবিচ্ছেদ্য।[৪৮]

স্বদেশৰ মাটি, পানী, গছ, চৰাই ইত্যাদিৰ প্ৰতি বৰুৱাৰ কবিতাত প্ৰকাশিত যি আকণ্ঠ ভালপোৱা সেইয়া বৰুৱাৰ কাব্য সাধনাৰ মাজেৰে প্ৰকাশিত স্বদেশপ্ৰেমৰ এক সুতীব্ৰ অনুৰণন। উদাহৰণ —

এটোপ দুটোপ কৰি ডাৱৰ পানী পৰি
ভৰি গ'ল বহল সাগৰ
কণ কণ বালি চাহি ইটে সিটে লগ লাগি
সাজি দিলে ধৰণী ডাঙৰ।[৪৯]

কবিৰ প্ৰকৃতি প্ৰীতিৰ চানেকি ৰূপে জিলিকি থকা বৰযুণ, নৈ আৰু দুবৰি বনৰ বৰ্ণনা এনেধৰণৰ—

---

৪৮। ললিত কুমাৰ বৰুৱা, *কবি বিনন্দ চন্দ্ৰ বৰুৱা ঃ বিশ্লেষণাত্মক সমীক্ষা*, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ০.১৬

৪৯। সৰুবস্তু, শিশুধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১৩৯

খৰালি শুকাই থকা ধৰাৰ শুকান বুকু
তিয়াই কৰিলে আহি শাঁত
নতুন জীৱন যেন পায় গছ-গছনিয়ে
মেলিলে কোমল কুঁহিপাত।[৫০]

আকৌ,

এডালি, দুডালি, দুবৰিৰ ডাল, মিলাই সাজিছে দলিচাখন;
তাৰেই ৰূপৰ লহৰ উথলি কতবা জনৰ হৰিছে মন।[৫১]

বৰুৱাৰ কবিতাত প্ৰকৃতি বিজয় ঘোষিত হৈছে এনেদৰে—

স্তৰে স্তৰে প্ৰকৃতিৰ অণু-পৰমাণু
যুগে যুগে জগতৰ বঢ়ায় শকতি। [৫২]

এনেদৰেই বিনন্দ চন্দ্ৰ বৰুৱাৰ সমগ্ৰ কবিতাৰাজিৰ মাজেৰে স্বদেশপ্ৰেমৰ মূৰ্ত প্ৰকাশ অতি শক্তিশালীভাৱে দেখিবলৈ পোৱা যায়। জাগ্ৰত স্বদেশপ্ৰেমে বৰুৱাৰ কবিতাৰ প্ৰতিটো চৰণ যেন স্পৰ্শ কৰিছে। উল্লেখযোগ্য যে, বৰুৱাৰ সমসাময়িক অন্যান্য কবিৰ কবিতাতো স্বদেশপ্ৰেমৰ সুতীব্ৰ অনুৰণন লক্ষ্য কৰা যায় যদিও বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা এই ক্ষেত্ৰত একক। কাৰণ বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত

৫০। বৰযুণ, শিশুধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১৪০
৫১। দুবৰি বন, প্ৰতিধ্বনি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৬১
৫২। প্ৰকৃতি বিজয়, 'জয়ধ্বনি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১২৩

স্বদেশপ্ৰেম প্ৰকাশক বিষয়বস্তু বৈচিত্ৰপূৰ্ণ। যিয়ে ৰোমান্টিক কবিতাত স্বদেশপ্ৰেমৰ পৰিসৰ বৃদ্ধি কৰিছিল বুলি নিশ্চয়কৈ ক'ব পাৰি। অন্যহাতে বৰুৱাৰ কবিতাত লক্ষ্য কৰা স্বদেশপ্ৰেম প্ৰকাশক বহুবোৰ বৈশিষ্ট্যৰ ভিতৰত অন্যতম সুমধুৰ ধ্বনি ব্যঞ্জনা, জতুৱা ভাষাশৈলী আৰু অতীত ৰোমন্থনে বৰুৱাৰ স্বদেশপ্ৰেমমূলক কবিতাসমূহক অন্যান্য কবিৰ কবিতাৰ পৰা সুকীয়া ৰূপত প্ৰতিষ্ঠা কৰিছে। সেয়ে বিনন্দ চন্দ্ৰ বৰুৱাৰ স্বদেশপ্ৰেমমূলক কবিতাৰাজি অসমীয়া সাহিত্যত একক আৰু অনন্য। এই ক্ষেত্ৰত ইয়াৰ মূলতেই হৈছে বিনন্দ চন্দ্ৰ বৰুৱাৰ একনিষ্ঠ সাধনা।